4th Sem. (M)

মাৰাঠা প্ৰশাসন ব্যৱস্থা আলোচনা কৰা।

1674ৰ জুন মাহত ৰায়গড়ত ৰাজধানী স্থাপন কৰি নিজকে ৰজা ঘোষণা কৰা ছত্ৰপতি শিৱাজী এগৰাকী অনন্য প্ৰশাসক হিচাপে বিবেচিত। উচ্চ পৰ্য্যায়ৰ সৃষ্টিশীল দক্ষতাৰ অধিকাৰী শিৱাজীৰ প্ৰশাসন ব্যৱস্থা মাৰাঠাসকলৰ বাবে উপযুক্ত বিবেচিত হৈছিল। মাৰাঠা প্ৰশাসন ব্যৱস্থাক কেন্দ্ৰীয় প্ৰশাসন, প্ৰাদেশিক প্ৰশাসন, সামৰিক, বিচাৰ আৰু ৰাজহ প্ৰশাসনত ভগাব পাৰি।

<u>কেন্দ্ৰীয় প্ৰশাসন</u> — প্ৰশাসন ব্যৱস্থাত ৰজাই আছিল সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰী। ৰাজতান্ত্ৰিক ব্যৱস্থাৰে পৰিচালিত মাৰাঠা প্ৰশাসনত সকলো ক্ষমতা ৰজাৰ হাতত কেন্দ্ৰীভূত আছিল আৰু তেওঁক অষ্ট প্ৰধান নামৰ উপদেষ্টা মণ্ডলীয়ে প্ৰশাসনত সহায় কৰিছিল। পেছোৱা, অমাত্য, মন্ত্ৰী, সচিব, সুমন্ত, সৰ্নোবট, পণ্ডিত ৰাও আৰু ন্যায়াধীশ আছিল এই অষ্ট প্ৰধান।

পেছোৱা (প্ৰধানমন্ত্ৰী) — ~~ৰাজস্ব আয়-ব্যয় আৰু প্ৰতিৰক্ষাৰ দিশে চোৱা-চিতা কৰিছিল~~ ৰাজ্যৰ সাধাৰণ প্ৰশাসন আৰু সাধাৰণ ৰাইজৰ কল্যাণ সাধনৰ দায়িত্ব পালন কৰিছিল।

অমাত্য (বিত্তমন্ত্ৰী) ৰাজস্ব আয়-ব্যয় আৰু প্ৰতিৰক্ষাৰ দায়িত্ব পালন কৰিছিল।

মন্ত্ৰী (ৱাকিয়া নবিচ) ৰজাৰ প্ৰতিৰক্ষা আৰু দৈনিক কাৰ্য্যকলাপ তথা ৰাজসভাৰ কাৰ্য্যৰ বিৱৰণী ৰখাৰ দায়িত্ব তেওঁৰ ওপৰত ন্যস্ত আছিল।

সচিব (গৃহ মন্ত্ৰী) সাধাৰণতে যোগাযোগৰ দায়িত্ব পালন কৰিছিল।

সুমন্ত (বৈদেশিক মন্ত্ৰী) এওঁ বৈদেশিক নীতি আৰু সম্পৰ্ক স্থাপনৰ দায়িত্বত আছিল।

চাৰ-ই-নৌবাত (সৰ্নোবট বা সেনাপতি) সামৰিক বাহিনীৰ সৰ্বোচ্চ পদত থকা এই প্ৰধানগৰাকীয়ে সেনা নিযুক্তি, প্ৰশিক্ষণ আৰু সংগঠন আদিৰ দায়িত্ব পালন কৰিছিল।

পণ্ডিত ৰাও — এই প্ৰধানগৰাকীয়ে ধৰ্ম, শিক্ষা আৰু নৈতিক দিশসমূহ চোৱাচিতা কৰিছিল।

ন্যায়াধীশ — নামৰ প্ৰধানগৰাকীয়ে বিচাৰ বিভাগৰ সকলো দিশ চোৱাচিতা কৰিছিল।

মাৰাঠা প্ৰশাসন ব্যৱস্থাত অষ্ট প্ৰধান হৈছে অসীম। এই পৰিষদত সেনাপতিৰ বাহিৰে বাকী সকলোৱেই ব্ৰাহ্মণ আছিল।

<u>প্ৰাদেশিক প্ৰশাসন</u> — মাৰাঠা সাম্ৰাজ্যত দুই ধৰণৰ ভূক্ষেত্ৰ দেখা যায় — স্বৰাজ্য আৰু মোগল ভূক্ষেত্ৰ। স্বৰাজ্য অঞ্চলসমূহ মাৰাঠাসকলৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণাধীন আছিল আৰু মোগল ভূক্ষেত্ৰ সমূহ পৰোক্ষভাৱে মাৰাঠা নিয়ন্ত্ৰণত আছিল। প্ৰশাসনিক সুবিধাৰ্থে ৰাজ্যখনক চাৰিখন প্ৰদেশত ভাগ কৰি ইয়াৰ প্ৰশাসক হিচাপে মামলতদাৰ নামৰ বিষয়াসকলক নিযুক্তি দিয়া হৈছিল।

Scanned with CamScanner

আঠজন ৰাজকৰ্মচাৰীয়ে গঠিত এমন সভাই তেওঁলোকক প্ৰশাসন কাৰ্য্যত সহায় কৰিছিল।

প্ৰদেশ বা প্ৰান্তসমূহক পৰগণা বা তৰফত ভাগ কৰা হৈছিল। প্ৰশাসনৰ আটাইতকৈ সৰু গোট আছিল গাঁওসমূহ আৰু এই গাঁওবোৰৰ চোৱাচিতাৰ দায়িত্বত দেশপাণ্ডে নামৰ বিষয়াসকল আছিল।

ৰাজহ প্ৰশাসন — ৰাজহ প্ৰশাসন ব্যৱস্থাত শিৱাজী বিশেষভাৱে সফল আছিল। দাদাজী কোণ্ডদেৱৰ নেতৃত্বত আধুনিক ধৰণৰ ভূমি ব্যৱস্থাই ৰাজহ প্ৰশাসনক যথেষ্ট শক্তিশালী কৰি তুলিছিল। শিৱাজীয়ে ভূমি জৰীপৰ কাম অন্নাজী দত্তৰ অধীনত আৰম্ভ কৰে আৰু এই জৰীপৰ ভিত্তিত উৎপাদনৰ 40% কৰ হিচাপে ধাৰ্য্য কৰে। তেওঁ মাৰাঠা সাম্ৰাজ্যত ৰায়তৱাৰী ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল আৰু ইয়াৰ ফলত দুখীয়া কৃষকসকল যথেষ্ট উপকৃত হৈছিল। গৰু, মহ, শস্যৰ বীজ ক্ৰয়ৰ বাবে আগধন ব্যৱস্থাৰ লগতে প্ৰাকৃতিক দুৰ্যোগ, দুৰ্ভিক্ষ আদিৰ সময়ত ঋণদানৰ ব্যৱস্থা কৰা হৈছিল। ভূমিকৰৰ বাহিৰেও শিৱাজীৰ ৰাজহৰ এক মুখ্য উৎস চৌথ আৰু সৰদেশমুখী কৰৰ পৰা সংগ্ৰহ কৰা হৈছিল। সীমান্তৱৰ্তী অঞ্চলসমূহক বৈদেশিক আক্ৰমণৰ পৰা ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতিত এই অঞ্চলসমূহৰ পৰা উৎপাদনৰ এক চতুৰ্থাংশ চৌথ কৰ হিচাবে লোৱা হৈছিল। সৰদেশমুখী আছিল উৎপাদনৰ এক দশমাংশ।

বিচাৰ বা ন্যায়িক প্ৰশাসন — মাৰাঠা ন্যায়িক প্ৰশাসন আদিম আৰু সৰল আছিল। সম্পূৰ্ণৰূপে হিন্দু আইনৰ দ্বাৰা পৰিচালিত এই ব্যৱস্থাত ন্যায়াধীশৰ গুৰুত্ব যথেষ্ট আছিল। সাধাৰণতে ব্ৰাহ্মণ ন্যায়াধীশসকলে দেৱানী আৰু ফৌজদাৰী উভয়বিধ বিচাৰ কৰিছিল যদিও পেটেলসকলে ফৌজদাৰী বিচাৰ বিশেষভাৱে চোৱাচিতা কৰিছিল। গাঁৱৰ বিচাৰসমূহৰ ভাৰ পঞ্চায়তৰ ওপৰত ন্যস্ত আছিল। বিচাৰ ব্যৱস্থা ক্ষিপ্ৰ আৰু সৰল আছিল। অগ্নি বা পানী পৰীক্ষা কৰাৰ পাছত গাত গৰম লো লগোৱা, গৰম তেলত হাত ভৰোৱা আদি শাস্তি দিয়া হৈছিল।

ন্যায়িক প্ৰশাসনত মুখ্য বিচাৰক আছিল ৰজা আৰু তেওঁৰ আদালতক "হাজিৰ মজলিচ" বুলি কোৱা হৈছিল।

সামৰিক প্ৰশাসন — মাৰাঠা প্ৰশাসনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংশ আছিল সামৰিক বাহিনী আৰু ইয়াৰ ওপৰত ভিত্তি কৰিয়েই ৰাষ্ট্ৰ গঠিত হৈছিল। প্ৰথমতে স্থায়ী নিয়মীয়া সৈন্য বাহিনী নাছিল আৰু সাধাৰণতে মাৱলীসকলক লৈ এই বাহিনী গঠিত হৈছিল। শিৱাজীয়ে

Scanned with CamScanner

সামৰিক বাহিনী গঠন —

শিৱাজীয়ে বিভিন্ন সংস্থাৰ আৰ্হি লৈ এক নিয়মীয়া সামৰিক বাহিনী গঠন কৰে। সামৰিক বাহিনীটো — পদাতিক, অশ্বাৰোহী, হস্তীবাহিনী, নৌ বাহিনী, উট বাহিনী আৰু কামান বাহিনী এই ছটা ভাগত বিভক্ত আছিল। অশ্বাৰোহী বাহিনীটো বৰ্গী আৰু চিলাদাৰ দুই ভাগত বিভক্ত আছিল। এই বাহিনীটো আছিল অপ্ৰতিৰোধ্য। পঞ্চহাজাৰীসকল আছিল এই বাহিনীৰ সৰ্বোচ্চ বিষয়া আৰু ছাৰ-ই-নৌবত বা সেনাপতিয়ে এই সামৰিক বাহিনীটো পৰিচালনা কৰিছিল। পদাতিক বাহিনীৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। বখৰৰ তথ্য অনুযায়ী মাৰাঠা হস্তীবাহিনীত ১,২৬০টা হাতী আৰু উট বাহিনীত ৩,০০০ উট আছিল।

শিৱাজীয়ে সামৰিক বাহিনী নিয়মীয়াকৰণৰ লগতে বেতনৰ ব্যৱস্থা, ঘোঁৰাৰ দাগ আৰু সৈনিকৰ হুলিয়া, গোৰিলা প্ৰশিক্ষণৰ ব্যৱস্থা, দুৰ্গৰ প্ৰতিৰক্ষা আৰু মেৰামতিকৰণ, সৈন্য নিযুক্তিত ধৰ্মনিৰপেক্ষতা আদিৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছিল। তদুপৰি সামৰিক বাহিনীত শৃংখলা আৰু নিয়মানুবৰ্তিতা অত্যন্ত কঠোৰ আছিল।

——— X ———

Scanned with CamScanner